RNI REGN.
epap
Portal :
e-mail :

# অসম আদিত্য

আঘোণ, ১৯৪৬ শক ■ মঙলবাৰ, ১৯ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, November 19, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা

### তিনি উপাচাৰ্যৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰীৰে অন্তৰংগ আলাপ ড° ডি পি আগৰৱালাৰ

## কানৈ মহাবিদ্যালয়ত ইউপিএছচিৰ প্ৰাক্তন অধ্যক্ষ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দৈনিক এটা নহয় এটা নতুন কথা শিকিবলৈ, বুজিবলৈ চেষ্টা কৰাৰ প্ৰয়োজন। দৈনিক মনৰ মাজত যিকোনো এটা বিষয়ৰ বাবে অনেক প্ৰশ্ন কৰা প্ৰয়োজন।— ভাৰতীয় লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতবৰ্ষৰ এগৰাকী জনপ্ৰিয় শিক্ষাবিদ ড০ ডি পি আগৰৱালে আজি এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু বি চি এ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা অন্তৰংগ আলাপত ড০ আগৰৱালাই কয় — দৈনিক বাতৰি কাকত, আলোচনী অধ্যয়ন কৰাই নহয়, নিজৰ ঠাইখনৰ, ৰাজ্যখনৰ, দেশখনৰ বিভিন্ন ঠাই, অঞ্চলসমূহক লৈও প্ৰশ্ন মনলৈ অনা প্ৰয়োজন আৰু তেনে অভ্যাসে ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাত সহায় কৰে। তেওঁ কয়— ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰা তেনে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ লক্ষ্য বান্ধি লোৱা প্ৰয়োজন আৰু ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সৰু সৰু গোটত বিভক্ত হৈ তেনে আলোচনা, চৰ্চা কৰা প্ৰয়োজন। ছাত্ৰ একতা সভাৰ দৰে সংগঠনসমূহে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত তেনে প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু দেশৰ সেৱা কৰিবলৈ উপযুক্ত মানৱসম্পদ সৃষ্টি কৰিব পাৰে। প্ৰায় এঘণ্টা ধৰি অনুষ্ঠিত হোৱা এই অন্তৰংগ আলাপৰ পূৰ্বে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই ভূতপূৰ্ব অধ্যক্ষগৰাকীক এখন ফুলাম গামোচাৰে আদৰণি জনায়। উল্লেখ্য যে ড০ আগৰৱালা দীৰ্ঘদিন ধৰি ভাৰতীয় লোকসেৱা আয়োগৰ স'তে জড়িত হৈ থকাৰ লগতে ভাৰত চৰকাৰৰ বিভিন্ন উচ্চপৰ্যায়ৰ সমিতিৰ সদস্য হিচাপে সেৱা আগবঢ়াইছিল। ভূতপূৰ্ব অধ্যক্ষগৰাকীক ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰশ্ন সোধে আৰু তেওঁ যথাযথভাৱে উত্তৰ প্ৰদান কৰে। অন্তৰংগ আলাপ অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী উপস্থিত থাকে। উল্লেখ্য যে আজি কানৈ মহাবিদ্যালয়ত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ অজন্তা ৰাজকোঁৱৰ, বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক উপাচাৰ্য ড০ জ্যোতিপ্ৰসাদ শইকীয়া, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জে পি বাৰ্মা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক যজ্ঞেশ্বৰ গোস্বামী, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ আৰম্ভণি কৰিবলৈ মহাবিদ্যালয়খনত থকা বিশ্ববিদ্যালয় কেন্দ্ৰটোত উপস্থিত হৈছিল। উল্লেখ্য যে ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত একেদিনাই তিনিখনকৈ বিশ্ববিদ্যালয়ৰ তিনিগৰাকী উপাচাৰ্যৰ লগতে ভাৰতীয় লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ উপস্থিত থকা আজিৰ এই দিনটো এক ঐতিহাসিক দিন বুলি বিবেচিত হৈছে।



ৰৰে কৰ্ম কৰি থাকিলে মানুহে স্বীকৃতি লাভ কৰে